# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-08-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

**-------------------**

০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি অনুষ্ঠিত হোৱা মন্ত্ৰীসভাৰ বৈঠকত গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰে। বৈঠকত চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৭ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত এই পুঁজি বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। কেন্সাৰৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৬০০ কোটি টকা ব্যয়সাপেক্ষে এটা প্ৰ'টন বীম থেৰাপি কেন্দ্ৰ স্থাপনত কেবিনেটে অনুমোদন জনায়। দেশৰ ভিতৰতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এই বিশেষ যন্ত্ৰ সংযোজিত হোৱা প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হিচাপে চিহ্নিত হ'ব। বান বিধবস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীক ছেপ্তেম্বৰ মাহত দুহেজাৰ টকাকৈ ধন মোকলাই দিয়াৰ সিদ্ধান্ত কেবিনেটত গ্ৰহণ কৰা হয়।

০০০০০

আজি সন্ধিয়া ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এটা ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাত পাঁচজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কেইবাজনো লোক গুৰুতৰভাৱে আহত হোৱাৰ খবৰ আহিছে। মৃত্যু হোৱা লোককেইজনৰ পৰিচয় এই পৰ্যন্ত জানিব পৰা হোৱা নাই। ক্ষেত্ৰীৰ আৰক্ষীয়ে জনোৱা মতে গুৱাহাটী অভিমুখী এখন ট্ৰেভেলাৰে ডিভাইডাৰত খুন্দা মাৰি নিয়ন্ত্ৰণ হেৰুৱাই বিপৰীত দিশৰ পৰা আহি থকা এখন মালবাহী ট্ৰাকত পুনৰ খুন্দা মাৰে। ঘটনাত গুৰুতৰভাৱে আহত লোকসকলক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০

নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক কেন্দ্ৰ কৰি আজি গুৱাহাটীৰ আমবাৰীস্থিত অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। অগপৰ সভাপতি অতুল বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত উপ-নিৰ্বাচনৰ উপৰি সমাগত পৌৰসভা, পৌৰ নিগম আৰু স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনক লৈ

বিশেষভাৱে আলোচনা কৰা হয়। অহা ১৪ অক্টোবৰত অসম গণ পৰিষদৰ ৪২ সংখ্যক প্ৰতিষ্ঠা দিৱস কেন্দ্ৰীয়ভাৱে উদযাপন কৰা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। সভাত অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ লগতে দলৰ কেন্দ্ৰীয় উপ-সভাপতি, সাধাৰণ সম্পাদক আৰু দলৰ ভাতৃ-ভগ্নী সংগঠনসমূহৰ কেন্দ্ৰীয় সমিতিৰ সদস্যসকল উপস্থিত থাকে।

ooooo

প্ৰচণ্ড গৰমৰ প্ৰতি লক্ষ্য ৰাখি ধুবুৰীৰ শিক্ষা বিভাগে বিদ্যালয়সমূহৰ পাঠদানৰ সময়সূচী সলনি কৰাৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শকে কাইলৈৰ পৰা জিলাখনৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে পুৱা চাৰে ৭ বজাৰ পৰা দিনৰ চাৰে ১১ বজালৈ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে পুৱা চাৰে ৭ বজাৰ দিনৰ ১২ বজালৈ পাঠদানৰ নিৰ্দেশ দিছে। উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে পুৱা চাৰে ৭ বজাৰ দিনৰ চাৰে ১২ বজালৈ পাঠদানৰ নিৰ্দেশনা জাৰি কৰা হৈছে।

ooooo

মাতৃভাষা ৰক্ষাৰ মাধ্যমেৰেহে নিজৰ পৰিচয় ৰক্ষা কৰিব পাৰি বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মন্তব্য কৰিছে। অসম জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আয়োজিত এখন বিশেষ সভাত তেওঁ এই কথা প্ৰকাশ কৰে। "জনজাতীয় বিশ্বাস, অনুশীলন, পৰম্পৰা আৰু সংস্কৃতি" শীৰ্ষক বিষয়বস্তুৰ ওপৰত আধাৰিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সম্প্ৰদায়ৰ জীৱন দৰ্শনকে ধৰি সাংস্কৃতিক চেতনাৰ বিভিন্ন দিশ সন্দৰ্ভত মত প্ৰকাশ কৰে। তেওঁ কয় যে যুগ যুগ ধৰি চলি অহা বিশ্বাস, মূল্যবোধ, অনুশীলন-পৰম্পৰা আৰু সাংস্কৃতিক চেতনাৰ মাজত এখন ৰাষ্ট্ৰৰ পৰিচয়, প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰবাহিত হয়। তেওঁ লগতে কয় যে ৰাজ্যৰ জনজাতীয় সম্প্ৰদায়ৰ অনন্য সংস্কৃতি আৰু পৰম্পৰা আমাৰ সামূহিক ঐতিহ্যৰ এক অবিচ্ছেদ্য অংশ। এই ঐতিহ্য সংৰক্ষণ কৰাটো অতীত সুৰক্ষিত কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে নিজৰ শিপা শক্তিশালী কৰাৰ এক ডাঙৰ দায়িত্ব বুলি তেওঁ মত প্ৰকাশ কৰে।

ooooo

চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাখনৰ গৰ্ভৱতী মহিলা, প্ৰসূতি আৰু শিশুসকলৰ স্বাস্থ্য সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ প্ৰসৱপূৰ্ব স্বাস্থ্য পৰীক্ষা অভিযান আৰম্ভ কৰা হৈছে। জিলাখনৰ আয়ুক্তৰ নিৰ্দেশ মৰ্মে ৮ দিনীয়া পৰিকল্পনাৰে এই অভিযান আৰম্ভ কৰা হৈছে। এই সামগ্ৰীক কাৰ্যসূচীৰ অধীনত জিলাখনৰ স্বাস্থ্য কেন্দ্ৰ আৰু অংগনবাড়ী কেন্দ্ৰ সামৰি মুঠ ৯৯টা স্থানত এই স্বাস্থ্য শিৱিৰৰ আয়োজন হ'ব। এই অভিযানৰ আজি প্ৰথম দিনটোত জিলাখনৰ বিভিন্ন প্ৰান্তৰ ১৬টা স্থানত বিশেষ স্বাস্থ্য শিৱিৰ সফলতাৰে অনুষ্ঠিত হয়।

oooooo

সমাপ্ত